নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ ত্ৰয়োদশ বছৰ সংখ্যা ১৩২ সোমবাৰ ১১ চ'ত ১৯৪৫ শক ২৫ মাৰ্চ ২০২৪ চন ASOMIYA KHABAR JORHAT MONI



## ভাৰতীয় প্ৰতিযোগিতামূলক 'জেম' পৰীক্ষাত কাৰ্নে মহাবিদ্যালয়ৰ ১১ শিক্ষাৰ্থীৰ সাফল্য

ষ্টাফ্ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৪ মাৰ্চ ঃ ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেক্‌নলজি আৰু ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছাইন্সৰ উদ্যোগত অনুষ্ঠিত ২০২৪ বৰ্ষৰ সৰ্বভাৰতীয় সদ্যঘোষিত প্ৰতিযোগিতামূলক পৰীক্ষাত ডি এইছ এছ কাৰ্নে মহাবিদ্যালয়ৰ ১১ গৰাকী শিক্ষাৰ্থীয়ে সফলতা লাভ কৰাত মহাবিদ্যালয়খনত আনন্দৰ জোৱাৰ উঠিছে। উল্লেখ্য যে প্ৰত্যেক বছৰে অনুষ্ঠিত হোৱা অতি কঠিন এই প্ৰৱেশ পৰীক্ষাত কাৰ্নে মহাবিদ্যালয়ৰপৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা ৰসায়ন বিভাগৰ পৰেশ সন্দিকৈ, নিশিতা বৰকাকতি, আস্থা বৰকাকতি, দেৱশ্ৰী দেৱনাথ, গণিত বিভাগৰ অভিমন্যু পুৰকায়স্থ, জিতুপন দাস, প্ৰিয়ংকা দত্ত, পৰিসংখ্যা বিভাগৰ প্ৰিয়ংকা চৌধুৰী, পদাৰ্থ বিজ্ঞান বিভাগৰ লক্ষদীপ গগৈ, আকাশজ্যোতি গগৈ আৰু ৰীতিৰাজ দাসে এই সাফল্য লাভ কৰে। উল্লেখ্য যে বিগত বৰ্ষতো বহুকেইগৰাকী শিক্ষাৰ্থীয়ে এই পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষা গ্ৰহণ কৰি আছে। কাৰ্নে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জনোৱা মতে, গণিত বিভাগৰপৰা উত্তীৰ্ণ হৈ বিশ্বজিৎ সিং নামৰ শিক্ষাৰ্থীজনে নাগপুৰৰ এনআইটিত নামভৰ্তি কৰি ভাৰতবৰ্ষৰ শীৰ্ষত থকা শিক্ষাৰ্থী হিচাপে নিজৰ প্ৰতিভাৰ পৰিচয় দি প্ৰধানমন্ত্ৰীৰ শিক্ষা বৃত্তি লৈ বৰ্তমান মাদ্ৰাজৰ আইআইটিত গণিত বিষয়ত গৱেষণা কৰি আছে। এনে বৃত্তি লাভ কৰাতো মহাবিদ্যালয়খনৰ কাৰণে গৌৰৱৰ বিষয় বুলি কয়। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° প্ৰিয় দেৱ গোস্বামীয়ে শিক্ষাৰ্থীৰ এনে সাফল্যত অধিক উৎসাহিত হৈ কয়, কাৰ্নে মহাবিদ্যালয়ে যোৱা বহু বছৰ শৈক্ষিক ক্ষেত্ৰখনত প্ৰতিভাৰ স্বাক্ষৰ দি আহিছে। এই ক্ষেত্ৰত শিক্ষক সমাজৰ অৱদান অতি উল্লেখযোগ্য।



আমাৰ খবৰ, জেংৰাইমুখ, ২৪
পৰম্পৰাৰ ধাৰাবাহিকতা আৰু আধ
বিজড়িত ধৰ্মীয় ৰীতি-নীতিৰে আ